# অসমৰ বিভিন্ন জনগোষ্ঠী আৰু সাংস্কৃতিক জীৱন

## প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১: অসমত বাস কৰা পাঁচটা জনজাতিৰ নাম লিখা।**

**উত্তৰ :** বড়ো, কছাৰী, ৰাভা, গাৰো আৰু মিচিং।

**প্ৰশ্ন ২: অসমৰ জনগোষ্ঠীসমূহৰ উৎসৱসমূহ কিদৰে ভাগ কৰিব পাৰি ?**

**উত্তৰ :** অসমৰ জনগোষ্ঠীসমূহৰ উৎসৱসমূহক 'ধৰ্মীয়, কৃষিমূলক আৰু সামাজিক— এই তিনিটা ভাগত ভাগ কৰিব পাৰি।

**প্ৰশ্ন ৩: অসমৰ জনগোষ্ঠীসমূহৰ প্ৰধান উৎসৱসমূহ লিখা।**

**উত্তৰ :** বিহু অসমৰ জাতীয় উৎসৱ। ইয়াৰ উপৰি অসমত বাস কৰা বিভিন্ন নৃগোষ্ঠীসমূহে পালন কৰা প্ৰধান উৎসৱ হৈছে— হিন্দুসকলৰ দুৰ্গা পূজা, ফাকুৱা, দীপাৱলী, ধৰ্মগুৰুসকলৰ জন্মোৎসৱ, তিথি, মুছলমানসকলৰ ঈদ-উল-ফিতৰ, ফাতেহা ই-দোৱাজ-দাহাম, খ্ৰীষ্টানসকলৰ বৰদিন, গুড ফ্ৰাইডে'; আহোমসকলৰ মে-ডাম মে-ফি; চাহ বাগানৰ বনুৱা সম্প্ৰদায়ৰ কৰম আৰু টুচু পূজা; বড়োসকলৰ খেৰাই আৰু বাথৌ পূজা; ডিমাচাসকলৰ ৰাজিনী গাৱা আৰু হানি গাৱা; ৰাভাসকলৰ বাইখো; দেউৰীসকলৰ বিচু; কাৰ্বিসকলৰ ৰংকাৰ আৰু হেচ্ছা আৰু মিচিংসকলৰ আলি-আয়ে লিগাং।

**প্ৰশ্ন ৪ : 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা :**

| **'ক' অংশ** | **'খ' অংশ** |
|---|---|
| **১। মিচিং** | **দখনা** |
| **২। কাৰ্বি** | **এগে: গাছৰ** |
| **৩। দেউৰী** | **ৰিগু ৰিজাম্ফাই** |
| **৪। ৰাভা** | **পিনিকামফ্লাক জাৰেক** |
| **৫। বড়ো** | **ৰিফান কান্দুং** |

| | |
|---|---|
| **৬। ডিমাচা** | **মেখেলা-চাদৰ** |

**উত্তৰ :**

| **‘ক’ অংশ** | **‘খ’ অংশ** |
|---|---|
| ১। মিচিং | এগে: গাছৰ |
| ২। কাৰ্বি | পিনিকামফ্লাক জাৰেক |
| ৩। দেউৰী | মেখেলা-চাদৰ |
| ৪। ৰাভা | ৰিফান কান্দুং |
| ৫। বড়ো | দখনা |
| ৬। ডিমাচা | ৰিগু ৰিজাম্ফাই |

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১ : খালী ঠাই পূৰণ কৰা :**

**(ক) অসমৰ চৰকাৰী ভাষা হ’ল……… ভাষা………।**

**উত্তৰ :** অসমৰ চৰকাৰী ভাষা হ’ল আৰ্য ভাষা অসমীয়া।

**(খ) জনজাতীয় লোকৰ সাজ-পাৰ সাধাৰণতে ………. ৰঙৰ হয়।**

**উত্তৰ :** জনজাতীয় লোকসকলৰ সাজ-পাৰ সাধাণতে উজ্জ্বল বঙৰ হয়।

**(গ) অসমৰ জাতীয় উৎসৱ বিহু আৰু ………. সকলৰ আলি-আয়ে লৃগাং হ’ল……….ভিত্তিক উৎসৱ।**

**উত্তৰ :** অসমৰ জাতীয় উৎসৱ বিহু আৰু মিচিং সকলৰ আলি-আয়ে লৃগাং হ’ল কৃষি ভিত্তিক উৎসৱ।

**(ঘ) সকলো ধৰ্মৰে মূল …………. একে।**

**উত্তৰ :** সকলো ধৰ্মৰে মূল মন্ত্ৰ একে।

**(ঙ) অসমীয়া শিপিনীয়ে বৈ উলিওৱা অতি আদৰৰ আৰু মৰ্যাদাৰ**

**উত্তৰ :** অসমীয়া শিপিনীয়ে বৈ উলিওৱা গামোচাখন অতি আদৰৰ আৰু মৰ্যাদাৰ প্ৰতীক।

**প্ৰশ্ন ২ : তলত উল্লেখ কৰা উৎসৱ সমূহৰ কোনটো উৎসৱ কোন জনগোষ্ঠীৰ লিখা—**

**বাইখো, বাথৌ পূজা, ৰাজিনী গাব্ৰা, কৰম পূজা, বিচু, ৰংকাৰ, মে-ডাম-মে-ফি, আলি-আয়ে লৃগাং**

**উত্তৰ :**

| | |
|---|---|
| বাইখো | ৰাভা জনগোষ্ঠীৰ। |
| বাথৌ পূজা | বড়ো জনগোষ্ঠীৰ। |
| ৰাজিনী গাব্ৰা | ডিমাচা জনগোষ্ঠীৰ। |
| ক’ৰম পূজা | চাহ বনুৱা জনগোষ্ঠীৰ। |
| বিচু | দেউৰী জনগোষ্ঠীৰ। |
| ৰংকাৰ | কাৰ্বি জনগোষ্ঠীৰ। |
| মে-ডাম-মে-ফি | আহোম জনগোষ্ঠীৰ। |
| আলি-আয়ে লৃগাং | মিচিং জনগোষ্ঠীৰ। |

**প্ৰশ্ন ৩ : আধুনিক অসমীয়া সৃজনশীল সংগীত সমৃদ্ধ কৰা পাঁচগৰাকী গীতিকাৰ সুৰকাৰ-শিল্পীৰ নাম লিখা—**

**উত্তৰ :** জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, পাৰ্বতী প্ৰসাদ বৰুৱা, ড° ভূপেন হাজৰিকা আৰু ৰুদ্ৰ বৰুৱা ।

**প্ৰশ্ন ৪ : মুছলমানসকলে পালন কৰা দুটা উৎসৱৰ নাম লিখা—**

**উত্তৰ :** ঈদ-উল-ফিটৰ আৰু ফাতেহা-ই-দোৱাজ দাহাম।

**প্ৰশ্ন ৫ : খ্ৰীষ্টানসকলে পালন কৰা দুটা উৎসৱৰ নাম লিখা।**

**উত্তৰ :** বৰদিন আৰু গুড ফ্ৰাইডে।

**প্ৰশ্ন ৬ : অসমৰ পাঁচটা বিখ্যাত মন্দিৰৰ নাম লিখা।**

**উত্তৰ :** গুৱাহাটীৰ উমানন্দ মন্দিৰ, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, শিৱসাগৰৰ শিৱদ’ল আৰু ধুবুৰীৰ মহামায়া থান মন্দিৰ।